জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৮৬/২০২১

## সাহিত্যাচাৰ্য, পদ্মভূষণ চৈয়দ আব্দুল মালিকৰ স্মৃতিচাৰণ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

# চৈয়দ আব্দুল মালিকৰ সৃষ্টি আৰু কৰ্মই অসমীয়া জাতিক সদায়ে প্ৰেৰণা যোগাই যাব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৯ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসমীয়া চৈয়দ কল্যাণ ন্যাসৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত সাহিত্যাচাৰ্য, পদ্মভূষণ চৈয়দ আব্দুল মালিকৰ স্মৃতিচাৰণ অনুষ্ঠানত অংশগ্ৰহণ কৰি সাহিত্যাচাৰ্যগৰাকীয়ে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিলৈ আগবঢ়োৱা অনন্য বৰঙনিৰ স্মৃতিচাৰণ কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে চৈয়দ আব্দুল মালিকৰ সৃষ্টি আৰু কৰ্মই অসমীয়া জাতিক সদায়ে প্ৰেৰণা যোগাই যাব। এইগৰাকী মহান  মনীষীয়ে অসমীয়া ভাষা-সাহিত্য তথা সংস্কৃতিলৈ অনন্য বৰঙনি যোগাই গৈছে। ন্যাসৰ দ্বাৰা চলোৱা এই প্ৰয়াসে নৱ প্ৰজন্মক এইগৰাকী মহান সাহিত্যিকৰ বিষয়ে জনাৰ সুযোগ প্ৰদান কৰাৰ উপৰি তেখেতৰ সৃষ্টিৰাজিৰে অসমীয়া ভাষা-সাহিত্যৰ উত্তৰণৰ দিশত বৰঙনি যোগোৱাৰ বাবে প্ৰেৰণা প্ৰদান কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। সাহিত্যৰ বিভিন্ন ক্ষেত্ৰলৈ তেখেতে আগবঢ়োৱা অৱদানৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এইগৰাকী নমস্য সাহিত্যিকে পদ্মশ্ৰী, পদ্মভূষণ, সাহিত্য অকাডেমী বঁটা, সাহিত্য অকাডেমী ফেল'শ্বিপকে ধৰি বিভিন্ন সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। 'ধন্য নৰতনু ভাল'ৰ জৰিয়তে সাহিত্যিকগৰাকীয়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্ম আৰু দৰ্শন শক্তিশালীভাৱে সাহিত্যৰ মাধ্যমেৰে তুলি ধৰিছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াত অসমীয়া মুছলমান সমাজৰ যথেষ্ট বৰঙনি আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমীয়া মুছলমান সমাজ আৰু হিন্দু সমাজৰ মাজত পূৰ্বৰে পৰা থকা সমন্বয়ৰ সাকোঁখন এতিয়াও শক্তিশালী হৈ আছে। জিকিৰ আৰু জাৰিৰ জৰিয়তে আজান ফকীৰে সমন্বয় আৰু ভাতৃত্ববোধৰ বাণী প্ৰচাৰ কৰি গৈছে যিবোৰে আমাৰ সাংস্কৃতিক জীৱনধাৰাকো শক্তিশালী কৰি তুলিছে। আজান পীৰৰ আদৰ্শক আমি ধৰি ৰাখিব পাৰিলে সমাজখনক আৰু অধিক সুশৃংখলিত কৰিব পৰা যাব। তেওঁ লগতে কয় যে অসমীয়া মুছলমানৰ আৰ্থ-সামাজিক অৱস্থাৰ উত্তৰণৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে সমিতি গঠন কৰিছে। এই সমিতিৰ প্ৰতিবেদন পোৱাৰ পিছত সমিতিয়ে জনোৱা পৰামৰ্শ অনুসৰি যথাযথ পদক্ষেপ লোৱা হ'ব। "চিৰদিন মই অসমীয়া" আদৰ্শৰে আমি সকলোৱে সন্মিলিতভাৱে আমাৰ ভৱিষ্যৎ শক্তিশালী কৰাৰ দিশত অৰিহণা যোগাব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নৰ্থ ইষ্ট লাইভ চেনেলৰ মুখ্য সম্পাদক ৰাছবীৰ হুছেইনে আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, কৃষিমন্ত্ৰী অতুল বৰা, বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈকি সচিব জয়ন্তমল্ল বৰুৱা, বিশিষ্ট সাহিত্যিক ড° গোবিন্দ প্ৰসাদ শৰ্মা, ন্যাসৰ সভাপতি আব্দুল ৰছিদ আহমেদ প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে চৈয়দা চামিমা ৰেজিনক চৈয়দা ডায়েনা টাস্কি উৎকৰ্ষতাৰ বঁটা প্ৰদান কৰে।

**পুঃডেঃ**
**১৯-১২-২০২১**